# অসমৰ জলবায়ু, উদ্ভিদ, বন্যপ্ৰাণী আৰু কৃষি

## অনুশীলনী

**প্ৰশ্ন ১। উত্তৰ লিখা—**

( ক ) অসমত বছৰটোক কেইটা ঋতুত বিভক্ত কৰা হয় ?

**উত্তৰঃ** অসমত বছৰটোক ছটা ঋতুত ভাগ কৰা হয় ।

( খ ) প্ৰকাৰ অনুসৰি অসমৰ উদ্ভিদক কেইটা ভাগত ভগােৱা হৈছে ?

**উত্তৰঃ** প্ৰকাৰ অনুসৰি অসমৰ উদ্ভিদক তিনিটা ভাগত ভগােৱা হৈছে ।

( গ ) অসমত ৰাষ্ট্ৰীয় উদ্যান আৰু বন্যপ্ৰাণী অভয়াৰণ্য কেইখন ?

**উত্তৰঃ** অসমৰ ৰাষ্ট্ৰীয় উদ্যান পাঁচখন আৰু বন্যপ্ৰাণী অভয়াৰণ্য ১৭ খন আছে ।

( ঘ ) দক্ষিণ – পশ্চিম মৌচুমী বায়ুৰ প্ৰভাৱত অসমত কি পৰিঘটনা সংঘটিত হয় ?

**উত্তৰঃ** দক্ষিণ – পশ্চিম মৌচুমী বায়ুৰ ফলত অসমত প্ৰচুৰ পৰিমাণে বৰষুণ হয় ।

( ঙ ) অসমৰ বৰ্ষা ঋতু কোন মাহৰ পৰা কোন মাহলৈ ?

**উত্তৰঃ** অসমত বৰ্ষা ঋতু শাওন মাহৰ পৰা ভাদ মাহলৈ থাকে ।

**প্ৰশ্ন ২। চমুকৈ লিখা –**

**( ক ) অসমৰ জলবায়ুৰ বৈশিষ্ট্যবােৰ ।**

**উত্তৰঃ** অসমৰ জলবায়ুক উপক্ৰান্তীয় মৌচুমী জলবায়ু বুলি কোৱা হয় । কাৰণ কৰ্কটক্ৰান্তি ৰেখাডাল অসমৰ ওচৰেদি পাৰ হৈ গৈছে । ৰাজ্যখনৰ জলবায়ুত প্ৰভাৱ পেলােৱা কাৰকবােৰ হৈছে অসমৰ অসংখ্য নদী , বিল, জলাশয় , খাল আৰু বনাঞ্চলবােৰ । এই সকলােবােৰে অসমৰ জলবায়ুক এক সুকীয়া বৈশিষ্ট্য প্ৰদান

কৰিছে । সেয়েহে অসমৰ জলবায়ুক ছটা ঋতুত ভাগ কৰিছে — গ্ৰীষ্ম , বৰ্ষা , শৰৎ , হেমন্ত , শীত আৰু বসন্ত ।

**( খ ) অসমৰ কৃষিজাত উদ্ভিদসমূহ ।**

**উত্তৰঃ** অসমৰ ঔদ্যোগিক ক্ষেত্ৰখন প্ৰধানভাৱে কৃষিজাত কেঁচামালৰ ওপৰত নিৰ্ভৰশীল । অসমত উৎপাদিত উদ্ভিদ শস্যসমূহ যেনে— চাহ , মৰাপাট , কুঁহিয়াৰ , তৈলবীজ আদিৰ ভিত্তিত কিছুমান সৰু – সুৰা শিল্প উদ্যোগ গঢ়ি উঠিছে । অসমত গ্ৰীষ্মকালত হাোৱা প্ৰধান কৃষি শস্যসমূহ হ'ল — ধান , মৰাপাট , জিকা , লাউ , কোমাোৰা আদি । শীতকালত হাোৱা শস্যসমূহ হ'ল — আলু , কবি , সৰিয়হ , বিলাহী , গাজৰ , মূলা আদি । ইয়াৰ উপৰি কফি , ৰবৰ , কল , নাৰিকল , তামাোল , পাণ আদিৰ খেতি কৰা হয় ।

**( গ ) অসমৰ চিৰসেউজীয়া উদ্ভিদৰ বৈশিষ্ট্য ।**

**উত্তৰঃ** অসমত উষ্ণতা আৰু বৃষ্টিপাত অধিক হাোৱা ঠাইত চিৰসেউজীয়া উদ্ভিদ দেখা যায় । সাধাৰণতে যিবাোৰ অঞ্চলত বছৰি ২০০ ছেণ্টিমিটাৰতকৈ বেছি বৃষ্টিপাত আৰু শীতকালত কিছু পৰিমাণে বৰষুণ হয় তেনে অঞ্চলসমূহত চিৰসেউজীয়া উদ্ভিদৰ অৰণ্য পাোৱা যায় । চতিয়ানা , শলখ , হাোললাং , চাম , হিজল , ভেলৌ , নাহৰ , আমৰি , বনচোম , তিতাঁচপা , খকন , ঔটেঙা , কঁঠাল আদি মূল্যবান চিৰসেউজীয়া উদ্ভিদ ।

**( ঘ ) অসমৰ বন্যপ্ৰাণী আৰু মানুহৰ সংঘাত ।**

**উত্তৰঃ** অসমৰ বন্যপ্ৰাণী বিশেষভাৱে ক্ষতিগ্ৰস্ত হৈছে বনাঞ্চল কমি যাোৱাৰ বাবে । জধে – মধে অৰণ্যৰ গছ – গছনি কটা , মানুহে বনভূমি বেদখল কৰি বাস কৰিবলৈ লাোৱা আদি বিভিন্ন কাৰণত বন্যপ্ৰাণীৰ আৱাস স্থল কমিবলৈ ধৰিছে । খাদ্যৰ অভাৱত বন্যপ্ৰাণীবাোৰ হাবিৰ পৰা ওলাই আহি জন – অৰণ্যত উপদ্ৰৱ আৰম্ভ কৰিছে । সেয়েহে বিভিন্ন ঠাইত বান্দৰ – মানুহ , হাতী – মানুহৰ সংঘাত হৈ থকা দেখা যায় ।

**( ঙ ) বিভিন্ন ঋতুত পালন কৰা অসমৰ উৎসৱসমূহ ।**

**উত্তৰঃ** অসমত বিভিন্ন উৎসব পালন কৰা হয় । বসন্ত ঋতুত ৰঙৰ উৎসৱ হাোলী বা ফাকুৱা আৰু ৰঙালী বিহু পালন কৰা হয় । গ্ৰীষ্ম ঋতুত অম্বুবাচী মেলা পালন কৰা হয় । শৰৎ কালত দুৰ্গা পূজা , লক্ষ্মী পূজা , দীপাৱলী , কাতি বিহু আদি পালন কৰা হয় । হেমন্ত ঋতুত মাঘ বিহু পালন কৰা হয় ।

**প্ৰশ্ন ৩। শুদ্ধ উত্তৰটো বাছি উলিওৱা –**

**( ক ) খাৰিফ শস্য হল—**

( ১ ) শালি ধান ।

( ২ ) কবি ।

( ৩ ) আলু ।

**উত্তৰঃ** ( ১ ) শালি ধান ।

**( খ ) ৰবি শস্য হল—**

( ১ ) কল ।

( ২ ) চাহ ।

( ৩ ) সৰিয়হ ।

**উত্তৰঃ** ( ৩ ) সৰিয়হ ।

**( গ ) কোন দুটা ঋতুৰ দোমা◌েজাত বসন্ত কাল হয় ?**

( ১ ) গ্ৰীষ্ম আৰু বৰ্ষা ।

( ২ ) শৰৎ আৰু শীত ।

( ৩ ) শীত আৰু গ্ৰীষ্ম ।

**উত্তৰঃ** ( ৩ ) শীত আৰু গ্ৰীষ্ম ।

**( ঘ ) উদ্ভিদে এৰি দিয়া গেছবিধৰ নাম হ’ল—**

( ১ ) অক্সিজেন ।

( ২ ) কাৰ্বন – ডাই – অক্সাইড ।

( ৩ ) নাষ্ট্ৰ'জেন ।

**উত্তৰঃ** ( ১ ) অক্সিজেন ।

**প্ৰশ্ন ৪। উদ্ভিদৰ উপকাৰিতাৰ বিষয়ে চমুকৈ লিখা।**

**উত্তৰঃ** উদ্ভিদৰ অবিহনে মানুহ বা আন প্ৰাণীবোৰ জীয়াই থাকিব নোৱাৰে । আমাৰ প্ৰয়োজনীয় সকলোবোৰ খাদ্য প্ৰত্যক্ষ বা পৰোক্ষভাৱে আমি উদ্ভিদৰ পৰা পাওঁ । উদ্ভিদে এৰি দিয়া অক্সিজেন সেৱন কৰিয়েই আমি জীয়াই থাকো । আমি এৰি দিয়া কাৰ্বন – ডাই – অক্সাইড গেছ গছে শোষণ কৰে বাবেই পৃথিৱীৰ প্ৰাণীকুল বাচি আছে । গছে বায়ুমণ্ডলৰ প্ৰদূষণ নিয়ন্ত্ৰণ কৰে । গছৰ শিপা আৰু সৰা পাতৰ আৱৰণে ভূমি ক্ষয় ৰোধ কৰে । পাত – ফল – ফুল পৰি মাটিত মিহলি হৈ মাটিৰ উৰ্বৰতা শক্তি বৃদ্ধি কৰে । তদুপৰি গছৰপৰা পোৱা কাঠেৰে আমি প্ৰয়োজনীয় আচবাব তৈয়াৰ কৰো আৰু ঘৰ – দুৱাৰ সাঁজো । কিছুমান উদ্ভিদৰ আকৌ ওষধি গুণো আছে যেনে— নিম , বাহক , তুলসী , ভেদাইলতা , মানিমুনি আদি । গতিকে উদ্ভিদ আমাৰ অতি উপকাৰী সম্পদ ।

**প্ৰশ্ন ৫। অসমৰ ঋতুসমূহৰ বিশেষত্ববোৰ লিখা ।**

**উত্তৰঃ** অসমৰ জলবায়ুক ছটা ঋতুত ভাগ কৰা হয় । যেনে — গ্ৰীষ্ম , বৰ্ষা , শৰৎ , হেমন্ত , শীত আৰু বসন্ত । গ্ৰীষ্ম ঋতু জেঠ মাহৰ পৰা আহাৰ মাহলৈ হয় । এই ঋতুত বিভিন্ন ধৰণৰ ফল যেনে— আম , জাম , কঁঠাল , লেতেকু , পনিয়ল আদিৰে প্ৰকৃতি উভৈ নদী হৈ পৰে ।

বৰ্ষা কাল — শাওন মাহৰ পৰা ভাদ মাহলৈ হয় । এই ঋতুত নেৰানেপেৰা বৰষুণ আৰু বানপানী হয়। শালি খেতি এই সময়তে কৰা হয় ।

শৰৎ কাল— আহিন মাহৰ পৰা কাতি মাহলৈ হয় । দুৰ্গা পূজা , লক্ষ্মী পূজা , দীপাৱলী , কাতি বিহু আদি উৎসৱ পালন কৰা হয় ।

হেমন্ত ঋতু আঘোণ মাহৰ পৰা পুহ মাহলৈ হয় । এই ঋতুত ধান চপোৱা হয় আৰু ভোগালী বিহু উদযাপন কৰা হয় ।

শীত কাল মাঘ আৰু ফাগুনৰ সময়ছোৱাক কোৱা হয় । শীতৰ নিশা মাজে মাজে কুঁৱলিয়ে ছানি ধৰে। আলু , কবি , বিলাহী , মটৰ , গাজৰ আদি বিভিন্ন শস্যৰে বাৰী ভৰি পৰে ।

বসন্ত কাল চ'ত আৰু ব'হাগ মাহৰ সময়ছা‌েৰাত হয় । গছে কুঁহিপাত মেলে আৰু নানা তৰহৰ ফুল – কপৌ , তগৰ , কেতেকী আদিয়ে ফুলি প্ৰকৃতি বিনন্দীয়া কৰে । অসমৰ লা‌েকে উলহ – মালহেৰে ৰঙালী বিহু বা ব'হাগ বিহু উদ্যাপন কৰে ।

## অতিৰিক্ত প্ৰশ্নোত্তৰ

**( ক ) তলৰ প্ৰশ্নবা‌েৰৰ চমুকৈ উত্তৰ দিয়া –**

**প্ৰশ্ন ১। পশ্চিমীয়া দেশত ঋতুক কেইটা ভাগত ভগা‌েৱা হয় ?**

**উত্তৰঃ** পশ্চিমীয়া দেশত ঋতুক প্ৰধানত চাৰিটা ভাগত ভগা‌েৱা হয় । যেনে— বসন্ত , গ্ৰীষ্ম , শৰৎ আৰু শীত ।

**প্ৰশ্ন ২। বতৰ কাক বা‌েলে ?**

**উত্তৰঃ** কোনা‌ে এখন ঠাইৰ কোনা‌ে এটা নিৰ্দিষ্ট সময়ৰ তাপ , বায়ুৰ চাপ, বৃষ্টিপাত , জলীয় বাষ্প , বতাহ আদিৰ সামগ্ৰিক অৱস্থাক বতৰ বুলি কোৱা হয় ।

**প্ৰশ্ন ৩। জলবায়ু কাক বা‌েলে ?**

**উত্তৰঃ** বতৰৰ বহু বছৰৰ গড় অৱস্থাকে জলবায়ু বুলি কোৱা হয় ।

**প্ৰশ্ন ৪। পৰ্ণপাতী উদ্ভিদৰ বৈশিষ্ট্য কি ?**

**উত্তৰঃ** যিবা‌েৰ উদ্ভিদৰ পাত বছৰত এবাৰ সৰি যায় আৰু বসন্ত ঋতুত পুনৰ ওলায় তেনেবো‌েৰ উদ্ভিদক পৰ্ণপাতী উদ্ভিদ বা‌েলে । যেনে — গমাৰি , পলাশ , আজাৰ , মদাৰ আদি ।

**প্ৰশ্ন ৫। অসমৰ হাবিত পা‌েৱা চাৰিবিধ উল্লেখযা‌েগ্য তৃণজাতীয় উদ্ভিদৰ নাম লিখা ।**

**উত্তৰঃ** অসমৰ হাবিত পা‌েৱা উল্লেখযা‌েগ্য তৃণজাতীয় উদ্ভিদ হ'ল — কঁহুৱা , খাগৰি , নল আৰু ইকৰা ।

**প্ৰশ্ন ৬। গা‌েলকীয় উষ্ণতা বৃদ্ধি মানে কি বুজা ?**

**উত্তৰঃ** পৃথিৱীত উদ্ভিদৰ পৰিমাণ কমি যাোৱাৰ ফলত বায়ুমণ্ডলত কাৰ্বন – ডাই অক্সাইডৰ পৰিমাণ বাঢ়ি গৈছে । এই গেছে বায়ুমণ্ডলত উষ্ণতা বৃদ্ধি কৰে । এনেদৰে বৃদ্ধি পাোৱা উষ্ণতাকে গােলকীয় উষ্ণতা বৃদ্ধি বুলি কোৱা হয় ।

**প্ৰশ্ন ৭। অসমত হাোৱা তিনিবিধ ৰাোপণ কৃষিৰ নাম উল্লেখ কৰা ।**

**উত্তৰঃ** অসমত হাোৱা তিনিবিধ ৰাোপণ কৃষি হ'ল — চাহ , কফি আৰু ৰবৰ ।

**( খ ) খালী ঠাই পূৰ কৰা –**

( ১ ) অসমখন ……………….. ৰেখাৰ পৰা কিছু উত্তৰত অৱস্থিত ।

**উত্তৰঃ** কৰ্কটক্ৰান্তি ।

( ২ ) কৰ্কটক্ৰান্তি ৰেখাৰ ওচৰত হাোৱাৰ কাৰণে অসমৰ জলবায়ুক………………… জলবায়ু বুলিব পাৰি ।

উত্তৰ উপক্ৰান্তীয় ।

( ৩ ) অসমখন দক্ষিণ এছিয়াৰ ……………….. জলবায়ু অঞ্চলৰ অন্তৰ্গত ।

**উত্তৰঃ** মৌচুমী ।

( ৪ ) অসমৰ বাৰ্ষিক গড় বৃষ্টিপাত ……………… ছেন্টিমিটাৰ ।

**উত্তৰঃ** ১৮০ ছেণ্টিমিটাৰ ।

( ৫ ) প্ৰাক্-শীত কাল , যাক অসমৰ ………………… ঋতুৰ লগত তুলনা কৰিব পাৰি ।

**উত্তৰঃ** হেমন্ত ।

( ৬ ) গ্ৰীষ্ম কালত যিবিলাক খেতি কৰা হয় , সেই খেতিক……………….. শস্য বুলি কোৱা হয় ।

**উত্তৰঃ** খাৰিফ ।

( ৭ ) শীতকালত যিবাোৰ খেতি কৰা হয় সেইবাোৰক ……………… শস্য বুলি কোৱা হয় ।

**উত্তৰঃ** ৰবি ।

( ৮ ) বিশ্ব পৰিবেশ দিৱস ………………… তাৰিখে পালন কৰা হয় ।

**উত্তৰঃ** ৫ জুন ।